**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-03-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। গোচৰৰ অভিযোগনামা দাখিলৰ ক্ষেত্ৰত অসমক অনুসৰণ কৰিবলৈ উত্তৰ-পূৰ্বাঞ্চলৰ মুখ্যমন্ত্ৰীসকলক গৃহমন্ত্ৰী অমিত শ্বাহৰ আহ্বান।
২। ২০২৬-২৭ বৰ্ষৰ ভিতৰত এপিডিচিএলৰ ৭৫০ মেগাৱাট সৌৰ শক্তি উৎপাদনৰ লক্ষ্য নিৰ্ধাৰণ।
৩। ৰাভা-হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ আজি মনোনয়ন পত্ৰ পৰীক্ষা।
৪। ৰাজ্য চৰকাৰে ১০ হাজাৰ শিল্পীক লৈ বাগৰুম্বা, বাৰদৈ ছিখিলা নৃত্যক বিশ্বত প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ। *আৰু*
৫। গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত আজিৰে পৰা ২৩ বছৰ অনুৰ্দ্ধ প্ৰথম ৰাষ্ট্ৰীয় বাস্কেট বল প্ৰতিযোগিতা।

০০০০০০

অসম আৰক্ষীয়ে ৬৬ শতাংশ গোচৰৰ অভিযোগনামা নিৰ্ধাৰিত সময়ৰ ভিতৰত দাখিল কৰি প্ৰশংসনীয় উদাহৰণ দাঙি ধৰা বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মত প্ৰকাশ কৰিছে। এই ক্ষেত্ৰত তেওঁ উত্তৰ-পূৰ্বাঞ্চলৰ আন আন ৰাজ্যসমূহকো অসমক অনুকৰণ কৰিবলৈ আহ্বান জনাইছে। গুৱাহাটীত কালি বিয়লি অনুষ্ঠিত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীৰ এখন বৈঠকত অংশগ্ৰহণ কৰি শ্ৰী শ্বাহে কয়, যে দেশত নতুন আইন তিনিখন ১০০ শতাংশ কাৰ্যকৰী হ'লে ৬৬ শতাংশ গোচৰৰ অভিযোগনামা আৰক্ষীয়ে ৬০ৰ পৰা ৯০ দিনৰ ভিতৰত দিব পাৰিব। অসমে ইতিমধ্যে নিৰ্ধাৰিত সময়ৰ ভিতৰত ৬৬ শতাংশ গোচৰৰ অভিযোগনামা দাখিল কৰাত সফল হোৱা বুলি তেওঁ উল্লেখ কৰে। আনহাতে উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণৰ বাবে ক্ষিপ্ৰ আৰু স্বচ্ছ ন্যায় ব্যৱস্থা নিশ্চিত কৰিবলৈ নৰেন্দ্ৰ মোদী চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলিও গৃহমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

কালিৰ বৈঠকত উত্তৰ-পূৰ্বাঞ্চলত নতুন ফৌজদাৰী আইনসমূহৰ ৰূপায়ণৰ বিষয়ে পৰ্যালোচনা কৰা হয়। গৃহ মন্ত্ৰালয়ে আয়োজন কৰা এই বৈঠকত ৰাজ্য প্ৰশাসনৰসমূহৰ শীৰ্ষ বিষয়াসকলেও অংশগ্ৰহণ কৰে। পৰ্যালোচনা সভাত গৃহমন্ত্ৰীগৰাকীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ মুখ্য সচিব আৰু ডি জি পি সকলৰ উপস্থিতিত চি আই ডি অসমৰ দ্বাৰা সংকলিত নতুন ফৌজদাৰী আইনৰ মানসম্পন্ন বিধি আৰু নিয়ম শীৰ্ষক পুস্তিকাখন উন্মোচন কৰে। সভাত উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ আৰক্ষী, কাৰাগাৰ, আদালত, বিচাৰ আৰু ফৰেণচিক সম্পৰ্কীয় বিভিন্ন নতুন বিধিৰ কাৰ্যকৰিতা আৰু বৰ্তমানৰ ব্যৱস্থা সন্দৰ্ভতো পৰ্যালোচনা কৰা হয়।

০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে শেহতীয়াকৈ গুৱাহাটী আৰু ইম্ফলত এটা আন্তঃৰাষ্ট্ৰীয় চক্ৰৰ পৰা ৮৮ কোটি টকাৰ নিচাযুক্ত টেবলেট জব্দ কৰাৰ লগতে চাৰিজন মাদক দ্ৰব্য সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰাৰ প্ৰসংগৰ উদ্ধৃতিৰে মাদক দ্ৰব্য সৰবৰাহকাৰীক ৰেহাই দিয়া নহ'ব বুলি সামাজিক মাধ্যম যোগে স্পষ্ট কৰিছে। এই সফল অভিযানৰ বাবে মন্ত্ৰীগৰাকীয়ে নাৰ্কোটিক্স কণ্টোল ব্যুৰোক অভিনন্দন জনোৱাৰ উপৰি এনে তৎপৰতাই মোদী চৰকাৰৰ মাদকদ্ৰব্য মুক্ত ভাৰতবৰ্ষৰ স্বপ্ন বাস্তৱ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০০০

অসম শক্তি বিতৰণ কোম্পানী লিমিটেড এপিডিচিলে ২০২৬-২৭ বৰ্ষৰ ভিতৰত ৭৫০ মেগাৱাট সৌৰশক্তি উৎপাদন কৰাৰ লক্ষ্য স্থিৰ কৰিছে। এছিয়ান ডেভেলপমেণ্ট বেংকে এই সৌৰশক্তি উৎপাদন প্ৰকল্পৰ দ্বাৰা ৰাজ্যখনৰ নৱীকৰণযোগ্য শক্তি সামৰ্থ বৃদ্ধিৰ বাবে বিত্তৰ যোগান ধৰিব। এপিডিচিলে অসম বিদ্যুৎ নিয়ামক আয়োগৰ ৰাজ্যিক উপদেষ্টা সমিতিক এই বিষয়ে অৱগত কৰিছে। সংস্থাটোৱে সমিতিখনক অৱগত কৰা অনুসৰি ক'ল ইণ্ডিয়া লিমিটেডৰ ২০১৭ চনৰ শক্তি নীতিৰ অধীনত এপিডিচিলে ৫০০ মেগাৱাট শক্তি উৎপাদনৰ বাবে কয়লা সৰবৰাহৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতিও লাভ কৰিছে।

০০০০০০

অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষা কৰি বৈধ মনোনয়ন পত্ৰৰ তালিকা প্ৰকাশ কৰা হ'ব। প্ৰাৰ্থীসকলে ১৯ মাৰ্চৰ বিয়লি ৩ বজালৈকে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব আৰু একেদিনাই বিয়লি নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। অহা ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ভোটগ্ৰহণ হ'ব। অহা ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

উল্লেখযোগ্য যে পৰিষদীয় নিৰ্বাচনৰ বাবে মুঠ ১০৭ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। পৰিষদৰ অন্তৰ্গত মুঠ ৩৬টা সমষ্টিৰ ভিতৰত গোৱালপাৰা জিলাৰ ২০টা সমষ্টিৰ বাবে মুঠ ৫৫ গৰাকী আৰু কামৰূপ জিলাৰ ১৬টা সমষ্টিৰ বাবে ৫২ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। এইবাৰ ৰাভা-হাচং পৰিষদীয় নিৰ্বাচনত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতি আৰু বিজেপিয়ে পূৰ্বৰ মিত্ৰতা অক্ষুণ্ণ ৰাখি নিৰ্বাচনত অৱতীৰ্ণ হৈছে। সেয়েহে ৩৬টা পৰিষদীয় সমষ্টিৰ ভিতৰত ৩০টাত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতি আৰু ৬টা সমষ্টিত বিজেপিয়ে প্ৰাৰ্থী দিছে।

০০০০০০

বিহু আৰু ঝুমুৰক ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিষ্ঠা কৰাৰ বাবে ৰাজ্য চৰকাৰে গুৱাহাটীত বৃহৎ কাৰ্যসূচীৰ আয়োজন কৰাৰ পাছত এইবাৰ বড়োসকলৰ বাগৰুম্বা আৰু বাৰদৈ ছিখিলাক অনুৰূপ ধৰণেৰে তুলি ধৰাৰ বাবে চৰকাৰে চিন্তা-চৰ্চা কৰিছে। সেই অনুসৰি অহা অক্টোবৰত গুৱাহাটীৰ সৰুসজাইত ১০ হাজাৰৰো অধিক শিল্পীক লৈ ৰাজ্য চৰকাৰে বাগৰুম্বা আৰু বাৰদৈ ছিখিলা নৃত্য প্ৰদৰ্শনৰ ব্যৱস্থা কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। কোকৰাঝাৰৰ দোতমাত নিখিল বড়ো ছাত্ৰ সন্থাৰ ৫৭ সংখ্যক বাৰ্ষিক অধিবেশনত অংশগ্ৰহণ কৰি কালি মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই কথা প্ৰকাশ কৰিছে। আনহাতে অহা এক মে'ত বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ মৃত্যু বাৰ্ষিকী বি টি আৰ প্ৰশাসনৰ সহযোগত ৰাজ্য চৰকাৰে বড়োফাৰ সমাধিস্থলীত ৰাজ্যিক মৰ্যদাৰে পালন কৰিব বুলি ঘোষণা কৰিছে। ১৫ এপ্ৰিলত কোকৰাঝাৰ বিশ্ববিদ্যালয়ক পূৰ্ণাংগ ৰূপ দিয়া হ'ব বুলি তেওঁ কয়। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ মুখ্য অতিথি হিচাপে উপস্থিত থকা অনুষ্ঠানটোত ভাষণ দি মুখ্যমন্ত্ৰীগৰাকীয়ে বি টি আৰ অঞ্চলৰ শৈক্ষিক আন্তঃগাঁথনি ত্বৰান্বিত কৰাৰ বাবে কেইবাটাও প্ৰকল্পৰ বিষয়ে ঘোষণা কৰে। ড০ শৰ্মাই কোকৰাঝাৰ, গেলেপু, গুৱাহাটী ৰেলপথ, ওদালগুৰিত এখন নতুন মহাবিদ্যালয় স্থাপন, বড়োলেণ্ডত স্নাতক পৰ্যায়লৈ বড়ো ভাষা শিক্ষাৰ মাধ্যম হিচাপে ব্যৱহাৰ, ৩৫খন উচ্চ মাধ্যমিক বিদ্যালয়ক আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ, অঞ্চলটোত এহেজাৰ ২০০ মেগাৱাট বিদ্যুৎ উৎপাদন কেন্দ্ৰ স্থাপনকে ধৰি কেইবাটাও পৰিকল্পনাৰ বিষয়েও সদৰি কৰে।

***(বাইট ঃ মুখ্যমন্ত্ৰী)***

০০০০০০

ৰাজ্যৰ প্ৰাথমিক বিদ্যালয়সমূহত খালী হৈ থকা প্ৰধানশিক্ষকৰ পদ পূৰণৰ বাবে বিদ্যালয় শিক্ষা বিভাগে নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশনা অনুসৰি বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষকগৰাকীক প্ৰধানশিক্ষক পদৰ বাবে বাছনি কৰা হ'ব। তদুপৰি প্ৰাথমিক সঞ্চালকালয়ৰ অধীনত হোৱা বিশেষ নিযুক্তি প্ৰক্ৰিয়াত শিক্ষক এগৰাকীৰ নিযুক্তিৰ তাৰিখৰ পৰা জ্যেষ্ঠতা বাছনি কৰা হ'ব। ঠিকাভিত্তিত নিয়োজিত শিক্ষকক জ্যেষ্ঠতাৰ তালিকাত অন্তৰ্ভুক্ত কৰা নহ'ব বুলিও কোৱা হৈছে। চি আৰ চি চি অৰ্থাৎ ক্লাষ্টাৰ ৰিচৰ্চ চেণ্টাৰ কো-অৰ্ডিনেটৰ হিচাপে দায়িত্ব নিৰ্বাহ কৰি থকা কোনো শিক্ষক বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক হিচাপে বাছনিভুক্ত হ'লে তেওঁ চি আৰ চি চি পদ ত্যাগ কৰিব বুলি লিখিতভাৱে শিক্ষা বিভাগক অৱগত কৰিব লাগিব বুলিও নিৰ্দেশনাটোত কোৱা হৈছে। নিয়মীয়া প্ৰধানশিক্ষক নথকা বিদ্যালয়সমূহত জিলা প্ৰাথমিক শিক্ষা বিষয়া বা বিদ্যালয়ৰ পৰিদৰ্শকে এগৰাকী শিক্ষকক ভাৰপ্ৰাপ্ত প্ৰধানশিক্ষকৰ দায়িত্ব অৰ্পণ কৰিব। একেদৰে নিয়মীয়া শিক্ষক নথকা বিদ্যালয়ত বিশেষ নিযুক্তি প্ৰক্ৰিয়াৰ অধীনত নিযুক্তিপ্ৰাপ্ত জ্যেষ্ঠ শিক্ষকগৰাকীক প্ৰধানশিক্ষকৰ দায়িত্ব দিয়া হ'ব। একেলগ কৰা দুখন নিম্ন প্ৰাথমিক বিদ্যালয়ৰ ভিতৰত অধিক ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়খনৰ জ্যেষ্ঠ শিক্ষকে প্ৰধানশিক্ষকৰ দায়িত্ব লাভ কৰিব বুলি নিৰ্দেশনাটোত কোৱা হৈছে।

০০০০০০

অসম আৰক্ষীৰ কনিষ্টবল আৰু সমপৰ্যায়ৰ অন্যান্য পদসমূহৰ বাবে লিখিত পৰীক্ষা ২৩ মাৰ্চৰ পৰিৱৰ্তে ৬ এপ্ৰিলত অনুষ্ঠিত হ'ব। অসম আৰক্ষীৰ ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি পৰিষদে কালি এখন জাননীযোগে এই কথা প্ৰকাশ কৰে। প্ৰশাসনিক কাৰণত পৰীক্ষাৰ দিন সলনি কৰা হৈছে বুলি পৰিষদে জানিবলৈ দিছে। উল্লেখযোগ্য যে বিজ্ঞাপন অনুসৰি নিযুক্তি পৰীক্ষা অনুষ্ঠিত নোহোৱা বুলি একাংশ প্ৰাৰ্থীয়ে অভিযোগো উত্থাপন কৰিছিল। অসম আৰক্ষীৰ মুঠ ৫ হাজাৰ ৫৬৩টা পদৰ বাবে অনুষ্ঠিত শাৰীৰিক পৰীক্ষাৰ ফলাফলসমূহ যোৱা ১২ মাৰ্চত পৰিষদে ঘোষণা কৰিছিল। ৬ এপ্ৰিলৰ লিখিত পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে যোগ্য প্ৰাৰ্থীসকলে ১ এপ্ৰিলৰ পুৱা ১১ বজাৰ পৰা প্ৰৱেশ পত্ৰসমূহ ডাউনলোড কৰিব পাৰিব।

০০০০০০

ফাকুৱাৰ সময়ছোৱাত ৰাজ্যখনত কেইবাটাও পথ দুৰ্ঘটনা সংঘটিত হোৱাৰ ফলত ভালেসংখ্যক লোক হতাহত হয়। এই সময়ছোৱাত শোণিতপুৰত সৰ্বাধিক ১৪টা পথ দুৰ্ঘটনা সংঘটিত হয়। যোৱা ১৪ মাৰ্চত ৰাজ্যখনৰ বিভিন্ন জিলাত মুঠ ১৩৭টা পথ দুৰ্ঘটনা সংঘটিত হোৱাৰ তথ্য পোৱা গৈছে। মৃত্যুঞ্জয় ১০৮ সেৱাৰ পৰা লাভ কৰা তথ্য অনুসৰি ইয়াৰে ১১৬টা দুৰ্ঘটনা দুচকীয়া বাহনৰ, ১১টা তিনিচকীয়া আৰু ১০টা চাৰিচকীয়া বাহনৰ ক্ষেত্ৰত হৈছে। পথ দুৰ্ঘটনাসমূত আহত অধিকাংশই নৱপ্ৰজন্মৰ বুলি সূত্ৰটোৱে প্ৰকাশ কৰিছে। কামৰূপ মহানগৰ জিলাত এই সময়ছোৱাত ১৩টা পথ দুৰ্ঘটনা সংঘটিত হয় আৰু ইয়াৰে ১০টা দুচকীয়া বাহনৰ ক্ষেত্ৰত হৈছে। সুৰাপান কৰি বাহন চলোৱাৰ ফলত এই দুৰ্ঘটনাসমূহ সংঘটিত হৈছে বুলি সূত্ৰটোৱে প্ৰকাশ কৰে। আবকাৰী বিভাগৰ তথ্য অনুসৰি ফাকুৱাৰ দুদিনত গুৱাহাটী মহানগৰীত ৯ কোটি টকাৰ সুৰা বিক্ৰী হৈছে।

০০০০০০

বঙাইগাঁও জিলা আয়ুক্তই ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ ধাৰাৰ অধীনত ভূমিস্খলন আৰু প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাৰ বাবে ভূমি খননৰ ক্ষেত্ৰত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। এই নিষেধাজ্ঞা অনুসৰি জিলাখনৰ কোনো স্থানতে ব্যক্তি, দল অথবা কোনো অনুষ্ঠান সংশ্লিষ্ট কৰ্তৃপক্ষৰ অনুমতি অবিহনে চৰকাৰী ভূমি খনন কৰিব নোৱাৰিব। এই নিষেধাজ্ঞা উলংঘা কৰা লোকৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ কৰা

হ'ব বুলিও কোৱা হৈছে। একাংশ সচেতন নাগৰিক, বিভিন্ন অৰাজনৈতিক সংগঠন আৰু প্ৰকৃতিপ্ৰেমীৰ পৰা লাভ কৰা অভিযোগৰ ভিত্তিত জিলাখনৰ আয়ুক্তই এই নিৰ্দেশনা জাৰি কৰে।

০০০০০০

যশস্বী চলচ্চিত্ৰ নিৰ্মাতা, আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন চলচ্চিত্ৰ পৰিচালক জাহ্নু বৰুৱাক কালি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে যোৰহাটত আয়োজন কৰা অনুষ্ঠানত মঘাই ওজা বঁটা প্ৰদান কৰে। পৰিষদৰ উদ্যোগত আয়োজিত পঞ্চদশ বাৰ্ষিক মঘাই ওজা দিৱসৰ অংশ হিচাপে এই বঁটা প্ৰদান কৰা হয়। এই বঁটাত আছে গামোচা, চেলেং, শৰাই, জাপি, সম্বৰ্ধনা পত্ৰ, স্মাৰক আৰু নগদ ২৫ হাজাৰ টকা। অনুষ্ঠানত পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি পলাশ চাংমাই, যোৰহাটৰ বিধায়ক হিতেন্দ্ৰনাথ গোস্বামী, জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপিকা ড০ জ্যোতিৰেখা হাজৰিকাৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ইপিনে গণশিল্পী মঘাই ওজা কলাক্ষেত্ৰই প্ৰতিবছৰে প্ৰদান কৰি অহা গণশিল্পী মঘাই ওজা বঁটা এই বছৰ বিশিষ্ট শিল্পী তথা আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত শিল্পী চৈয়দ চাদুল্লা লৈ আগবঢ়োৱা হৈছে। অহা ১৯ এপ্ৰিলত মঘাই ওজা কলাক্ষেত্ৰত হ'বলগীয়া বিহু সন্মিলনত এই বঁটা প্ৰদান কৰা হ'ব বুলি কলাক্ষেত্ৰ সমাজে প্ৰকাশ কৰিছে।

০০০০০০

গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত কোকৰাঝাৰত আয়োজিত এবছুৰ বাৰ্ষিক অধিৱেশন, গৃহমন্ত্ৰীগৰাকীৰ উপস্থিতিত উত্তৰ-পূৰ্বাঞ্চলৰ মুখ্যমন্ত্ৰীসকলৰ বৈঠক, অসমৰ এগৰাকী তৰুণ অভিযন্তা বিশ্বৰ দ্ৰুততম হাইপাৰলুপ ৰে'ল প্ৰকল্পৰ অংশীদাৰ হোৱা, সংগীসহ মহাকশচাৰী সুনীতা উইলিয়ামছৰ পৃথিৱীলৈ ওভতনি যাত্ৰাকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

ইতিহাস সৃষ্টি কৰি ভাৰতত ঘণ্টাত ১২শ কিলোমিতাৰ বেগেৰে চলিবলগীয়া হাইপাৰলুপ ৰে'ল প্ৰকল্পত অসমৰ লখিমপুৰৰ সিদ্ধাৰ্থ বৰুৱা নামৰ শিক্ষাৰ্থীগৰাকী অংশ হোৱাৰ বাতৰি এটা অসমীয়া প্ৰতিদিন কাকতে আজি প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে।

কালিৰ এবছুৰ অধিৱেশনৰ বাতৰিটো দৈনিক অসম কাকতে **কোকৰাঝাৰত এবছুৰ অধিৱেশনত কেন্দ্ৰীয় গৃহমন্ত্ৰী, দুবছৰত চুক্তিৰ পূৰ্ণ ৰূপায়ণ, দিল্লীত বড়োফা ইউ এন ব্ৰহ্মৰ প্ৰতি শ্ৰদ্ধাৰে পথ নামকৰণৰ ঘোষণা,** অসমীয়া খবৰ কাকতে **হিংসা আৰু বিচ্ছিন্নতাৰে পূৰ্বতে পৰিচিত বড়োলেণ্ডত এতিয়া শিক্ষা, উন্নয়ন আৰু উদ্যোগৰ চৰ্চা চলে বুলি অমিত শ্বাহৰ মন্তব্য,** দ্যা চেণ্টিনেল কাকতে **Will Impliment BTR Accord 100 % : Amit Shah** শিৰোনামেৰে প্ৰকাশ কৰিছে।

কালি গুৱাহাটীত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে নতুন ফৌজদাৰী আইন ৰূপায়ণক লৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আলোচনাত মিলিত হোৱাৰ বাতৰিটো আমাৰ অসম, দি আছাম ট্ৰিবিউনকে ধৰি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

৯ মাহৰো অধিক সময়ত আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰত আবদ্ধ হৈ থকা ভাৰতীয় মূলৰ আমেৰিকাৰ মহাকাশচাৰী সুনীতা উইলিয়ামছ আৰু তেওঁৰ সংগী বুশ্ব ইউলমোৰক পৃথিৱীলৈ ওভতাই আনিবলৈ মহাকাশচাৰীৰ এটা দল উপস্থিত হোৱাৰ বাতৰিটোক দৈনিক অগ্ৰদূত, নিয়মীয়া বাৰ্তাকে ধৰি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আমেৰিকাৰ কম্পিউটাৰ বিজ্ঞানী লেক্স ফ্ৰিডমেনৰ এটা পʼডকাষ্টত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সন্ত্ৰাসবাদকে ধৰি বিভিন্ন বিষয়কলৈ কৰা গুৰুত্বপূৰ্ণ মন্তব্যসমূহক সামৰি দৈনিক জনমভূমি আৰু দ্যা টাইমছ অব ইণ্ডিয়াই প্ৰথম পৃষ্ঠাত একোটাকৈ মুখ্য বাতৰি প্ৰকাশ কৰিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

লখিমপুৰ জিলাৰ নাওবৈচা পকনীয়া ঘাটত সোৱণশিৰিৰ খহনীয়াই অঞ্চলটোৰ জনসাধাৰণৰ জীৱন আৰু সা-সম্পত্তিৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। খহনীয়াৰ ফলত নাওবৈচা আৰু লখিমপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত পমুৱা খাবলু, নামেচুক, কাৰৈভুৰুকা আৰু পকনীয়া ঘাটৰ বিস্তৃৰ্ণ কৃষিভূমি, বাসগৃহ আদি নৈৰ বুকুত জাহ হৈছে। খহনীয়াৰ ফলত পাভ বনাঞ্চলৰ কেইবাশ হেক্টৰ ভূমিও সোৱণশিৰিৰ বুকুত জাহ গৈছে। নদীখনৰ তীব্ৰ খহনীয়াই সম্প্ৰতি নাওবৈচা ৰাজহ চক্ৰৰ সোঁপাৰৰ মথাউৰিটোলৈ ভাবুকি কঢ়িয়াই আনিছে। অঞ্চলটোৰ জনসাধাৰণে এই সমস্যাৰ দ্ৰুত সমাধানৰ বাবে চৰকাৰক আহ্বান জনাইছে।

০০০০০০

অসম বাস্কেট বল সংস্থাই ভাৰতীয় বাস্কেট বল ফেডাৰেশ্যনৰ সহযোগত আজিৰে পৰা সৰুসজাই ইনডʼৰ ষ্টেডিয়ামত ২৩ বছৰ অনুৰ্দ্ধৰ প্ৰথম ৰাষ্ট্ৰীয় বাস্কেট বল প্ৰতিযোগিতাৰ আয়োজন কৰিছে। প্ৰতিযোগিতাখনৰ আজি সন্ধিয়া উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। ২৪ মাৰ্চত এই প্ৰতিযোগিতাৰ সামৰণি পৰিব।

০০০০০০

থাইলেণ্ডৰ বেংককত যোৱা ৯ মাৰ্চৰ পৰা অনুষ্ঠিত বিংশ বিশ্ব মুৱাইথাই ফেডাৰেচন চেম্পিয়নশ্বিপৰ ১৮ বছৰ অনূৰ্ধ ৪৫ কিলোগ্ৰাম শাখাত ভাৰতক প্ৰতিনিধিত্ব কৰি অসমৰ লোপামুদ্ৰা বৰাই ৰূপৰ পদক লাভ কৰিছে। গোলাঘাট জিলাৰ সৰুপথাৰৰ ক্ৰীড়াবিদগৰাকীৰ এই সাফল্যত ৰাজ্যবাসীয়ে সন্তোষ প্ৰকাশ কৰিছে।

০০০০০০

শচীন তেণ্ডুলকাৰ নেতৃত্বাধীন ইণ্ডিয়া মাষ্টাৰ্ছে ইণ্টাৰনেচনেল মাষ্টাৰ্ছ লীগ টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথম সংস্কৰণৰ চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে। ৰায়পুৰৰ শ্বহীদ বীৰ নাৰায়ণ সিং আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত কালি অনুষ্ঠিত প্ৰতিযোগিতাৰ চূড়ান্ত খেলখনত দলটোৱে ব্ৰায়ান লাৰা নেতৃত্বাধীন ৱেষ্ট ইণ্ডিজ দলক ৬ উইকেটত পৰাস্ত কৰে। খেলখনত প্ৰথমে বেট ধৰি ৱেষ্ট ইণ্ডিজে নিৰ্ধাৰিত অভাৰত ৭টা উইকেট হেৰুৱাই ১৪৮ ৰান কৰিবলৈ সমৰ্থ হয়। প্ৰত্যুত্তৰত ইণ্ডিয়া মাষ্টাৰ্ছে অম্বতি ৰায়ডুৰ ৫০টা বলত কৰা কৰা ৭৪ ৰানৰ সহায়ত ১৭ অভাৰ আৰু এটা বলতে বিজয় লক্ষ্যত উপনীত হয়। ৰায়ডুক প্লেয়াৰ অব দ্যা মেচ আৰু শ্ৰীলংকাৰ কুমাৰ ছাংগাকাৰাক মাষ্টাৰ ষ্ট্ৰোক অফ দ্য ছিজন বঁটা আগবঢ়োৱা হয়। এই বিজয়ৰ অন্তত ভাৰতৰ অধিনায়ক শচীন তেণ্ডুলকাৰে প্ৰতিযোগিতাখনত অৱতীৰ্ণ হৈ পুৰণি দিনবোৰলৈ ওভতি যোৱা যেন অনুভৱ কৰা বুলি সামাজিক মাধ্যম যোগে প্ৰকাশ কৰে। লগতে ক্ৰিকেটৰ এসময়ৰ মহান খেলুৱৈসকলৰ সৈতে পুনৰ খেলিবলৈ পোৱাটো অতি ৰোমাঞ্চকৰ অভিজ্ঞতা বুলিও শচীনে মত ব্যক্ত কৰে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ঘাইকৈ ডাৱৰীয়া হৈ থকাৰ লগতে দুই এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা

সৰ্বোচ্চ ৩০ ডিগ্ৰী ছেলছিয়াছ্ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৯ ডিগ্ৰী ছেলছিয়াছ্ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২৪ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মিজোৰাম, মণিপুৰ আৰু ত্ৰিপুৰাৰ ঠাই বিশেষ পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। শেহতীয়া ২৪ ঘণ্টাত গুৱাহাটীৰ বায়ু সুচকাংক মান সন্তোষজনক আছিল।

oooooo

সমাপ্ত